Under CSR Support by ipca | Foundation missiongyan LET'S LEARN TOGETHER

# অধ্যায় - ৬ | বৈজ্ঞানিক মানসিকতা আৰু সমাজ

## QUIZ-01

**১. ৰাশিফল চোৱাটো কি দৃষ্টিভংগী ?**
A) মানসিক
B) বৈজ্ঞানিক
C) অন্ধবিশ্বাস
D) প্ৰচলিত প্ৰথা
**Answer: C**
**Explanation: ৰাশিফল চোৱাটো হৈছে এটা অন্ধবিশ্বাস।**

**২. ড° আন্না গগৈ কোনটো বিভাগৰ অধ্যাপিকা ?**
A) পদাৰ্থ বিজ্ঞান
B) ৰসায়ন বিজ্ঞান
C) অৰ্থনীতি বিজ্ঞান
D) সমাজ বিজ্ঞান
**Answer: B**
**Explanation: ড° আন্না গগৈ ৰসায়ন বিজ্ঞান বিভাগৰ অধ্যাপিকা আছিল ।**

**৩. কোনটো সংকলনৰ পৰা লোৱা প্ৰবন্ধটি হৈছে?**
A) নতুন মাত্ৰা
B) নতুন যাত্ৰা
C) নতুন পৰিসৰ
D) নতুন অধ্যায়
**Answer: B**
**Explanation: নতুন যাত্ৰা প্ৰবন্ধ সংকলটোৰ পৰা লোৱা হৈছে।**

**৪. বাহিৰৰ পৰা আহি পাকঘৰত সোমাব নোৱাৰা পৰম্পৰাটোক লেখকে কেনেদৰে বৰ্ণনা কৰিছে ?**
A) কু-সংস্কাৰ
B) অন্ধবিশ্বাস
C) বিজ্ঞানসম্মত পৰম্পৰা
D) অপ্ৰয়োজনীয় নিয়ম
**Answer: C**
**Explanation: বাহিৰৰ পৰা আহিলে কাপোৰত বীজাণু থাকিব পাৰে বুলি ই বিজ্ঞানসম্মত।**

**৫. আইজাক এছিম'ড কি লেখক ?**
A) সাহিত্যিক
B) কল্পবিজ্ঞান লেখক
C) কবি
D) প্ৰবন্ধকাৰ
**Answer: B**
**Explanation: আইজাক এছিম'ড কল্পবিজ্ঞান লেখক।**

**৬. পিছফালৰপৰা মাতিলে যাত্ৰা নষ্ট হয় বুলি ভাবাটো কি ?**
A) পৰম্পৰা
B) বিজ্ঞানসম্মত বিশ্বাস
C) সৰু কথা
D) অন্ধবিশ্বাস
**Answer: D**
**Explanation: ই এক অন্ধবিশ্বাস , ইয়াৰ কোনো যুক্তি বা বৈজ্ঞানিক ভিত্তি নাই।**

**৭. বৈজ্ঞানিক মানসিকতা কিদৰে আনিব পাৰি ?**
A) কিতাপ অধ্যয়নৰ জৰিয়তে
B) অন্ধবিশ্বাস বিশ্বাস নকৰি
C) কু-সংস্কাবোৰ সমাজৰ পৰা আঁতৰ কৰা
D) ওপৰৰ আটাইকেইটা
**Answer: D**
**Explanation: বৈজ্ঞানিক মানসিকতা কেৱল কিতাপ অধ্যয়ন কৰি নহয়। ইয়াৰ বাবে প্ৰতিটো ঘটনা বা কথা যুক্তি-নিষ্ঠভাৱে বিশ্লেষণ কৰিব লাগিব, অন্ধবিশ্বাস কৰিব নালাগিব, আৰু সমাজত চলি থকা কু-সংস্কাৰবোৰক আঁতৰাব লাগিব। এই সকলোবোৰ একেলগে মানিলে ব্যক্তিৰ মন বৈজ্ঞানিক দৃষ্টিভংগীৰ পৰা বিকশিত হয়।**

**৮. লেখকে শিশুসকলৰ তলৰ কোনটো ক্ষেত্ৰত গুৰুত্ব দিছে ?**
A) অন্ধবিশ্বাস শিকোৱা
B) বৈজ্ঞানিক মানসিকতাৰ বীজ ৰোপণ
C) ৰাশিফল শিকোৱা
D) কু-সংস্কাৰ মানিবলৈ কোৱা
**Answer: B**
**Explanation: লেখকে কৈছে, শিশুসকলৰ কুমলীয়া মনত বৈজ্ঞানিক দৃষ্টিভংগী শিকোৱাৰ ওপৰত গুৰুত্ব দিয়া উচিত।**

**৯. অন্ধবিশ্বায় আৰু কুসংস্কাৰে আমাৰ সমাজৰ কি সাধন কৰে ?**
A) অৱনতি
B) উন্নতি
C) বিকাশ
D) উন্নয়ন
**Answer: A**
**Explanation: অন্ধবিশ্বায় আৰু কুসংস্কাৰে আমাৰ সমাজৰ অৱনতি সাধন কৰে ।**

**১০. মেকুৰী আগেৰে ৰাস্তা পাৰ হৈ গ'লে বেয়া হব পাৰে' এইটো কি বিশ্বাস ?**
A) কুসংস্কাৰ
B) অন্ধবিশ্বাস
C) বিজ্ঞানিক বিশ্বাস
D) সামাজিক প্ৰথা
**Answer: B**
**Explanation: এইটো এটা অন্ধবিশ্বাস, যাৰ কোনো যুক্তি নাই**

মিছন জ্ঞান
100% FREE!
Video COURSES | QUIZ PDF | TEST SERIES
Download Mission Gyan App
DOWNLOAD MISSION GYAN APP